অন্তর্দৃষ্টি

সম্পাদনা এম. কামালুদ্দিন আহমেদ

ANTARDRISTI : A book of some articles on Assamese Literary Criticism from the Modern to the contemporary period, compiled and edited by M. Kamaluddin Ahmed, Professor, Department of Assamese, Gauhati University, Guwahati-14, published to mark the Platinum Jubilee Celebration of the Department of Assamese, Gauhati University (April 6,7-2024) by M/s. Banalata, Jaswanta Road, Panbazar, Guwahati–1, Assam.

Ist Edition : May, 2024 **Price :** ₹ 400

প্রকাশক ঃ বনলতা

পাণবজাৰ, গুৱাহাটী-১

মুখ্য কার্যালয় ঃ নতুন বজাৰ, ডিব্রুগড়-১

Website : www.banalata.in
Email : banalataghy01@gmail.com
FB : https://www.facebook.com/BanalataBooks/
Instagram : https://instagram.com/banalatapublication
WhatsApp : 9435044799

© গ্রন্থস্বত্ব ঃ অসমীয়া বিভাগ

গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী- ৭৮১০১৪

প্রথম প্রকাশ ঃ মে', ২০২৪

বেটুপাত ঃ ড° সঞ্জীৱ ববা

মূল্য ঃ ৪০০ টকা

This book, or any part thereof may not be reproduced in any form without the written permission of the Publisher and Editor.

প্রকাশক আৰু সম্পাদকৰ অনুমতি অবিহনে গ্ৰন্থখনৰ কোনো অংশ যিকোনো মাধ্যমত আৰু গ্ৰন্থত প্ৰকাশ কৰিব নোৱাৰিব।

ISBN : 978-93-91135-87-4

অলংকৰণ ঃ কুমুদ শর্মা, হাছান আলী

বর্ণময়, পাণবজাৰ, গুৱাহাটী-১

মুদ্রক ঃ শৰাইঘাট অফছেট প্রেছ

বামুণীমৈদাম, উদ্যোগপাম, গুৱাহাটী-২১

- হৰেকৃষ্ণ ডেকাৰ সাহিত্য সমালোচনা | কল্পজ্যোতি বায় | ২০৩
- হীৰেন্দ্র নাথ দত্তৰ সাহিত্য সমালোচনা | ড° ধ্রুৱজ্যোতি দাস | ২১৩
- প্রদীপ আচার্য্যৰ সাহিত্য সমালোচনা | এম. কামালুদ্দিন আহমেদ |২২১
- ড°মহেন্দ্র বৰাৰ সাহিত্য সমালোচনা | দীপজ্যোতি বৰা | ২২৬
- নলিনীধৰ ভট্টাচার্যৰ সাহিত্য সমালোচনা | সমীন্দ্র হুজুৰি | ২৩৬
- ড° শৈলেন ভৰালীৰ সাহিত্য সমালোচনা | ড° বিমল মজুমদাৰ | ২৪৯
- ড° গোৱিন্দ প্রসাদ শর্মাৰ সাহিত্য সমালোচনা | ড°জাহ্নৱী দেৱী | ২৫৬
- ড°নগেন শইকীয়াৰ সাহিত্য সমালোচনা | ড° জয়ন্ত ডেকা | ২৭২
- ড° অপর্ণা মহন্তৰ সাহিত্য সমালোচনা | ড°পৰী হিলৈদাৰী | ২৮৩
- ড°কবীন ফুকনৰ সাহিত্য সমালোচনা | অৰূপ কুমাৰ গোস্বামী | ৩০৪
- প্রভাত বৰাৰ সাহিত্য সমালোচনা | চন্দন গোস্বামী | ৩১৩
- ড°আনন্দ বৰমুদৈৰ সাহিত্য সমালোচনা | ড° জয়ন্ত ডেকা | ৩১৯

পৰিশিষ্ট

- লেখক-পৰিচিতি | ৩২৯

ড° নগেন শইকীয়াৰ সাহিত্য সমালোচনা

ড° জয়ন্ত ডেকা

টি এছ এলিয়ট (১৮৮৮-১৯৬৫)-এ *ট্রেডিচন এণ্ড দ্য ইণ্ডিভিজুৱেল টেলেণ্ট* (১৯১৯)ত আলোচনা আগবঢ়াই কৈছিল, কোনো লেখকৰ সমালোচনা এক বহল সাহিত্যিক পৰম্পৰাৰ দৃষ্টিকোণৰ পৰা অধ্যয়ন কৰিব লাগিব। লেখকৰ সমালোচনাৰ কামটোৰ লগত এক শৃংখলাৰ প্রশ্নও জড়িত হৈ থাকে। এলিয়টৰ কথাষাৰৰ আঁত ধৰিয়েই আমি নগেন শইকীয়া (জন্ম- ১৯৩৯)-ৰ ঐতিহ্য পৰম্পৰা ৰক্ষিত এক শৃংখলিত সমালোচনা সাহিত্য অধ্যয়নৰ পিনে আগবাঢ়িব পাৰোঁ। অসমীয়া জাতিৰ বৌদ্ধিক চর্চাৰ নেতৃত্ব বহন কৰা অগ্রণীসকলৰ অন্যতম নগেন শইকীয়া। গল্পকাৰ, ঔপন্যাসিক, কবি, নিবন্ধকাৰ, সমালোচক, ভ্রমণ কাহিনী ৰচয়িতা আৰু বিভিন্ন গ্রন্থ সম্পাদনা কৰি নগেন শইকীয়াই অসমীয়া সাহিত্যক বিস্তৃতি প্রদান কৰিছে। তেওঁৰ মৌলিক আৰু সম্পাদিত গ্রন্থসমূহৰ মাজেদি সমালোচনাৰ গভীৰ তাৎপর্য ব্যঞ্জিত হৈছে।


জোনাকী যুগত লক্ষ্মীনাথ বেজবৰুৱা (১৮৬৪-১৯৩৮)ই আৰম্ভ কৰা অসমীয়া সমালোচনা সাহিত্যৰ তাত্ত্বিক ভেটিটো ড° বাণীকান্ত কাকতি (১৮৯৪-১৯৫২)-ৰ নেতৃত্বত শক্তিশালী হৈ উঠে। ৰোমাণ্টিক প্রচ্ছায়াত প্রাচ্য আৰু পাশ্চাত্য সাহিত্যৰ অনুষংগেৰে বাণীকান্ত কাকতিয়ে তীক্ষ্ণধী সমালোচনাৰ নতুন এটি স্তৰ নির্মাণ কৰে। বাণীকান্ত কাকতিৰ সমালোচনাৰ অন্তর্দৃষ্টিত পুৰণি অসমীয়া সাহিত্যই নতুন ৰূপ পাইছিল। কাকতিৰ পৰৱর্তী আধুনিক অসমীয়া সমালোচনা সাহিত্য অধিক প্রাণৱন্ত কৰি তোলা সমালোচকসকলৰ ভিতৰত ড° মহেশ্বৰ নেওগ (১৯১৫-১৯৯৫), ড°

ড° আনন্দ বৰমুদৈৰ সাহিত্য সমালোচনা

ড° জয়ন্ত ডেকা

অসমীয়া কবিতাৰ অন্তর্দৃষ্টি সম্পন্ন তাত্ত্বিক সমালোচনাৰ এগৰাকী অন্যতম বাটকটীয়া সমালোচক আনন্দ বৰমুদৈ। কবিতা সম্পর্কীয় ভিন্ন আলোচনাৰ মাজেদি তেওঁ সমালোচনাৰ স্বকীয়তা প্রতিপন্ন কৰিছে। কবিতা বিষয়ক ৩৪টা দীঘলীয়া আলোচনা সামৰি লোৱা *নির্বাচিত অসমীয়া কবিতাৰ সমালোচনা* শীর্ষক গ্রন্থখনেৰে সমালোচক গৰাকীয়ে এক ইতিহাস নির্মাণত ব্রতী হৈছে। সমালোচনামূলক গ্রন্থখনত সন্নিবিষ্ট 'কবি, কবিতা আৰু সমালোচনা' শীর্ষক প্রৱন্ধত সমালোচকৰ অভিধা, কাব্যতত্ত্বৰ তৰপ, কবিতা আৰু কাব্যৰ প্রভেদ দাঙি ধৰিছে। সমালোচক এগৰাকী কলাগুণৰ অধিকাৰী হোৱাৰ উপৰিও, গভীৰ অনুভূতিশীল হোৱাৰ প্রসংগত পাশ্চাত্য সমালোচকৰ ধাৰণা উল্লেখ কৰিছে। আনন্দ বৰমুদৈয়ে এই আলোচনাত টি এছ এলিয়ট আৰু চিডনি পিউৰিটানাৰ সমালোচনাত্মক ধাৰণাক আঙুলিয়ায়। প্রসংগক্রমে জন ড্রাইদেনৰ আলোচনাৰ মাজেৰে *এছেই অৱ ড্রামাতিক পয়েচি* (১৬৬৮)ৰ কথা পটুৱৈৰ সন্মখলৈ আনে। কবিয়ে দিয়া শিক্ষাৰ ব্যাখ্যা অৱতাৰণা কৰি ড্রাইদেনে ব্যক্তি প্রকৃতিৰ চিত্রকল্পৰ ব্যাখ্যা আগবঢ়াইছিল। ড্রাইদেনৰ দৃষ্টিত কবিয়ে ব্যক্তি প্রকৃতিৰ শিক্ষা দিয়ে। সেই প্রকৃতিৰ অন্তর্ভাগত সংযোজিত হৈ থাকে ব্যক্তিৰ মনোজগতৰ নন্দনতাত্ত্বিক সৌন্দর্য। ড্রাইদেনৰ এই অভিমতৰ আধাৰত সমালোচক আনন্দ বৰমুদৈয়ে কৈছেঃ "ড্রাইদেনে ক'লে যে মননশীল সাহিত্যই মানুহৰ প্রকৃতিৰ এখন চিত্রকল্প দিয়ে। নান্দনিকভাৱে সন্তোষজনক ৰূপত কামত নিয়োজিত মানুহৰ ছবি দেখুৱাব লাগিব আৰু সেই চৰিত্রৰ মাজত আমি যাক মনস্তাত্ত্বিক সত্য বুলি কওঁ, সেই সত্য দেখা পাই আমি আনন্দ পাম। কবিয়ে দিয়া শিক্ষা তাত্ত্বিক নহ'লেও মানুহৰ প্রকৃতি সম্পর্কে দিয়া শিক্ষা (০৬)।"

প্রজ্ঞা-প্রতীতি



সম্পাদক
ড° মন্টু কুমার বড়া

প্রজ্ঞা-প্রতীতি

সম্পাদক
ড° মণ্টু কুমাৰ বড়া

সদৌ অসম ছাত্র সন্থাৰদ্বাৰা প্রকাশিত

সূচী

গীতাশ্রী দত্ত • হিতেশ ডেকা ঃ জীৱন আৰু কৃতি /১৭

ড° জিতাঞ্জলি বৰপূজাৰী • হিতেশ ডেকাৰ উপন্যাস সাহিত্য ঃ

এক সামগ্রিক মূল্যায়ন /২০

ড° নয়নমণি মেধি • হিতেশ ডেকাৰ উপন্যাসত ৰাজনৈতিক চেতনা /৬৪

ড° প্রাপ্তি ঠাকুৰ • হিতেশ ডেকাৰ উপন্যাসত চৰিত্রৰ বৈপৰীত্য

(*আজিৰ মানুহ* আৰু *আচল মানুহৰ* আধাৰত) /৭৩

ড° মঞ্জু হালৈ • হিতেশ ডেকাৰ গল্পসম্ভাৰত এভুমুকি /৮৫

ড° ভনিতা নাথ • হিতেশ ডেকাৰ *আজিৰ মানুহ* উপন্যাসত

প্রতিফলিত সমাজ-বাস্তৱতা /৯৪

বিনীতা ভূঞা •হিতেশ ডেকাৰ উপন্যাসত জাতীয়তাবাদী চেতনা

(*মাটি কাৰ*উপন্যাসৰ আধাৰত) /১০৩

পৰী হিলৈদাৰী • মহিম বৰাৰ উপন্যাস ঃ সামাজিক শৃংখলাৰ পাঠ /১১৫

ড° জ্যোতিৰেখা হাজৰিকা • মহিম বৰাৰ অন্তিম উপন্যাস

বন্দুলি ফুলৰ ৰং আৰু কিছু কথা /১৩২

ড° মাধুর্য্যমণ্ডিত বৰুৱা • মহিম বৰা /১৪৩

অনুভূতি গায়ন • Ernest Hemingway-ৰ *The Old Man and the Sea*

আৰু মহিম বৰাৰ গল্পত ইয়াৰ প্রভাৱ /১৫২

ড° জয়ন্ত ডেকা • মহিম বৰাৰ কবিতা /১৫৯

ড° অজিত ভৰালী • মহিম বৰাৰ *পাখি লগা দিন* ঃ এটি টোকা /১৬৩

মহিম বৰাৰ কবিতা

ড° জয়ন্ত ডেকা

আধুনিক অসমীয়া কবিতা সম্পূর্ণৰূপে পাশ্চাত্য সাহিত্য অনুৰণনৰ ফল। বিশ্বযুদ্ধৰ তৎকালীন প্রতিক্রিয়াক কেন্দ্র কৰিয়েই আধুনিক কবিতা বিকশিত হৈছিল। আধুনিক অসমীয়া কবিতাৰ এক গুৰুত্বপূর্ণ কণ্ঠস্বৰ মহিম বৰা (১৯২৪-২০১৬)। *ৰঙা জিঞা* (১৯৭৮) কাব্য সংকলনটিৰে অসমীয়া কবিতাত ব্যাপক পৰিচিতি লাভ কৰা মহিম বৰাৰ আন এখন কাব্য সংকলন *জোনামণিৰ হাঁহি*।

অতি কম সংখ্যক অথচ গুৰুত্বপূর্ণ কবিতা সৃষ্টিৰে অসমীয়া কবিতাক তেখেতে সমৃদ্ধ কৰিছে। আধুনিক জীৱনবোধ, যৌৱনৰ উচ্ছাস, মৃত্যু চেতনা, ব্যক্তিগত প্রেমৰ অনুষংগেৰে গ্রাম্য জীৱনৰ একধৰণৰ আকুতি তেওঁৰ কবিতাত উদ্ভাসিত হৈছে। মহিম বৰা যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাৰ দ্বিতীয় পর্বটোৰ অর্থাৎ পঞ্চাছৰ দশকৰ কবি। বিশেষকৈ দেশৰ স্বাধীনতা পৰৱর্তী দ্বিতীয় পর্বৰ কবিকুলৰ মাজত মহিম বৰাৰ কবিতা আছিল আৱেগ আৰু মননৰ স্থিত সংহতিৰ প্রতীক।

জীৱনৰ প্রতি একধৰণৰ গভীৰ আশাবাদৰ দর্শনত বিশ্বাসী কবি মহিম বৰাই 'মাছ' শীর্ষক কবিতাটিত একধৰণৰ গভীৰ ব্যঞ্জনা উত্তোলিত কৰিছে। 'মাছ' কবিতাটোৰে আধুনিকতাৰ বহু-তৰপীয়া চেতনাৰ ইংগিত প্রদান কৰিছে। জীৱনৰ বিস্তীর্ণতা আৰু সৃষ্টিৰ অন্তর্লীন সম্ভাৱনাক ব্যক্ত কৰিবলৈ গৈ কৈছে —

সোণালী ৰূপালী মাছ, নীলা বেঙুনীয়া মাছ উজ্জ্বল হীৰাৰ ছটা
অযুত অর্বুদ মাছ কামনা-ৰঙীন সাগৰ দুধাৰ কৰা গতি ক্ষুৰধাৰ, হে

ISSN - 2230-7788

প্রজ্ঞাজ্যোতি

ভাষা, সাহিত্য, সংস্কৃতি বিষয়ক বার্ষিক গবেষণা পত্রিকা

তৃতীয় সংখ্যা । ২০২৩

গবেষণা পত্রিকা

স্নাতকোত্তৰ অসমীয়া বিভাগ

ডিমৰীয়া মহাবিদ্যালয়, ক্ষেত্রী

কামৰূপ (ম)

Prajñā Jyoti

Annual Research Journal on
Language, Literature and Culture

Vol. - III (2023)

DIMORIA COLLEGE, KHETRI
KAMRUP (M)

সম্পাদকদ্বয়

ড° পঙ্কজ নমঃশূদ্র

ড° অলকানন্দা শইকীয়া

প্রজ্ঞাজ্যোতি

ভাষা, সাহিত্য, সংস্কৃতি বিষয়ক
বার্ষিক গৱেষণা পত্র

Prajñā Jyoti

A Peer Reviewed Bilingual Annual Research Journal on
Language, Literature and Culture

Vol. III, 2023
ISSN No. 2230-7788

Editor
Dr. Pankaj Namasudra
Dr. Alakananda Saikia

Publication Cell
Post Graduate Department of Assamese
Dimoria College, Khetri
Kamrup (M) - 782403
Assam : India

- গোৱালপাৰা জিলাৰ ৰাভাসকলৰ কথিত অসমীয়া ভাষাৰ এটি অর্থতাত্ত্বিক অধ্যয়ন
  ✍ ড° নগেন্দ্র নাথ মেধি ১-৭
- ফণী তালুকদাৰৰ অনাতাঁৰ নাট 'মৰাহাতী'ত বৰপেটাৰ কথিত ভাষা আৰু থলুৱা কৃষ্টি-সংস্কৃতিৰ প্রতিচ্ছবি ঃ এটি অধ্যয়ন
  ✍ ড° নিশিগন্ধা তালুকদাৰ ৮-১৩
- বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু'ত অসমীয়া লোক-জীৱনৰ চিত্রণ ঃ এক অধ্যয়ন
  ✍ ড° প্রভাত ভূঞা ১৪-২২
- লক্ষ্মীনাথ বেজবৰুৱাৰ বীণ-বৰাগী
  ✍ ড° টুটুমণি দাস ২৩-২৯
- তিনিচুকীয়া জিলাৰ চেমা নগাসকলৰ সাজপাৰ আৰু অলংকাৰ ঃ এক অধ্যয়ন
  ✍ ড° চাহিন জাফ্রি ৩০-৩৫
  ✍ বিদ্যার্থ বড়া
- পূৰৰী বৰমুদৈৰ বাঘশাল বাঘজাল আৰু মানুহ
  ✍ মিনাক্ষী বৰুৱা ৩৬-৩৯
- অসমীয়া থলুৱা খাদ্য পিঠা পনাত বিশ্বায়নৰ প্রভাৱঃ এটি আলোচনা
  ✍ দর্পনা চৌধুৰী ৪০-৪৪
- বিহুগীত আৰু ভাওৰাইয়া-চট্‌কা গীতৰ কাব্যিক বিচাৰ ঃ এটি তুলনামূলক অধ্যয়ন
  ✍ ড° স্নিগ্ধা কটকী ৪৫-৫০
- আধুনিকতাবাদ আৰু অসমীয়া কবিতা
  ✍ ড° জয়ন্ত ডেকা ৫১-৬৭
- যোগেশ দাসৰ বৰদেউতা গল্পত সমাজ বাস্তৱতাঃ এক অধ্যয়ন
  ✍ জুমি বর্মন, গীতাঞ্জলি বর্মন ৬৮-৭৩
- অসমীয়া বিয়ানামত পৌৰাণিক ৰামকথাৰ প্রভাৱ
  ✍ ড° দীপামণি বৰুৱা দাস ৭৪-৮০
- বৰ অসমৰ সত্রীয়া সংস্কৃতি ঃ এক অৱলোকন
  ✍ ড° পংকজ নমঃশূদ্র ৮১-৮৮

Prajñā Jyoti
Vol. III, 2023
ISSN No. 2230-7788

আধুনিকতাবাদ আৰু অসমীয়া কবিতা

ড° জয়ন্ত ডেকা
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
ৰাধা গোবিন্দ বৰুৱা মহাবিদ্যালয়, গুৱাহাটী

সংক্ষিপ্তসাৰ

ইউৰোপত পাঁচশ খ্ৰীষ্টাব্দত প্ৰাচীন ধ্যান-ধাৰণা সম্পৰ্কীয় যুগৰ অৱসান ঘটিলেও আধুনিক মনৰ সূচনা হোৱা নাছিল। পঞ্চদশ শতিকালৈ সমাজ ব্যৱস্থাত মধ্যযুগীয় ৰীতি-নীতিয়েই প্ৰচলিত হৈ আছিল। যুক্তি নিৰ্ভৰ আস্থাৰ পৰিৱৰ্তে দাসত্বৰ বন্ধনে সমাজখনক বান্ধি ৰাখিছিল। খ্ৰীষ্টীয় গীৰ্জা আৰু খ্ৰীষ্টীয়ান যাজকসকলৰ জাত্যভিমান ধৰ্মীয় দৰ্শনে আছিল সভ্যতা-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ স্বৰূপ। এহেজাৰ বছৰীয়া সময়ৰ পৰিণতিত মধ্যযুগীয় সমাজ ব্যৱস্থাৰ পৰা মুক্ত হোৱাৰ বাসনাৰে সাধাৰণ লোকে নৱজাগৰণক আদৰি লয়। খ্ৰীষ্টীয় ৰীতি কেন্দ্ৰিক গণ্ডীৰ বাহিৰত ক্ৰমশঃ আধুনিক মননৰ উৎকৰ্ষ হ'বলৈ ধৰে। ধ্ৰুপদী যুগৰ অন্ত পৰাৰ লগে লগে ব্যক্তিৰ মনোজগতত ৰোমাণ্টিক যুগ (১৭৯৮-১৮৩২)-এ নতুন চিন্তাৰ উন্মেষ ঘটালে। একেদৰে পৰম্পৰা নিৰ্ভৰ সামাজিক গাঁঠনিৰ পৰিৱৰ্তনত ব্যক্তি নিষ্ঠতাৰ প্ৰসংগই নতুনকৈ স্থান লাভ কৰে। এইক্ষেত্ৰত মুখ্য কাৰক হিচাবে দেখা দিয়ে ৰুছো (১৭১২-১৭৭৮)ৰ সামাজিক চুক্তিৰ সূত্ৰ, জাৰ্মান দাৰ্শনিক ইমানুৱেল কাণ্টৰ (১৭২৪-১৮০৪)ৰ দৰ্শন, ভল্টেয়াৰ (১৬৯৪-১৭৭৮)ৰ বাইবেল সংক্ৰান্তীয় সমালোচনাই।

বীজ শব্দ ঃ আধুনিকতা, কবিতা, পাশ্চাত্য

অৱতৰণিকা ঃ

আধুনিক শব্দটোৰ মূল ইংৰাজী প্ৰতিশব্দ 'Modern'। সমাজ ব্যৱস্থাৰ জ্ঞান আৰু পৰিৱৰ্তনশীল অনুভূতিৰ ব্যঞ্জনা 'আধুনিক' অভিধাৰে ৰূপায়িত। ধ্ৰুপদী যুগৰ পৰা নৱজাগৰণলৈ গতি কৰাৰ মাজত ইউৰোপীয় সভ্যতা-সংস্কৃতিয়ে আধুনিক বসন পিন্ধে। সামাজিক-সাংস্কৃতিক ৰাজনৈতিক মতাদৰ্শৰ পৰিৱৰ্তনকামী চেতনা আৰু জ্ঞানোদয় পৰ্বৰ তত্ত্বগত বাখ্যাই আধুনিকতাক নিৰ্দেশ কৰে। শিল্প, সাহিত্য,

ISSN 2279-0683

প্রবাহ

জুলাই, ২০২৩




প্রকাশ

তৃতীয় পর্ব ।।
১৩৪সংখ্যক প্রকাশন ।।
আহাৰ-শাওণ ১৯৪৫ শক।।
জুলাই, ২০২৩

পঞ্জীয়ন নং ঃ ২৯৯৮২/৭৫
ISSN 2279-0683

বিষয় সূচী

সম্পাদকীয়।।৩ ।।



আত্মকথা

কল্যাণ খৰমান
নগেন শইকীয়া।। ৭৭।।

আত্মজীৱনী

সপোন আৰু সংগ্ৰামৰ কৈশোৰ
য়েছে দৰজে ঠংচি।। ৮১।।

ভ্ৰমণ সাহিত্য

ভিয়েটনামা
অতনু ভট্টাচার্য।। ৮৫।।

কবিতা বিষয়ক

প্রবন্ধ

অসমীয়া কবিতালৈ পাশ্চাত্য শৈলী আৰু ধাৰণাৰ আমদানি
ড° আনন্দ বৰমুদৈ।। ৪।।
স্থায়িত্ব, স্থিৰতা আৰু কাব্য-পৰম্পৰা ঃ সাম্প্রতিক অসমীয়া কবিতা (১)
ড° বিভাস চৌধুৰী।। ১০।।
সাম্প্রতিক অসমীয়া আধুনিক কবিতা
ড° প্রাণজিৎ বৰা।। ১৫।।
আধুনিকতা আৰু অসমীয়া কবিতা
ড° গীতালী শইকীয়া।। ২০।।
অসমীয়া কবিতাত সমাজ ৰাজনৈতিক চেতনা
অৰিন্দম বৰকটকী।। ২৩।।
অতিসাম্প্রতিক অসমীয়া কবিতাৰ আও-ভাও সম্পর্কে এটি খচৰা
ৰাজীৱ বৰা।। ৩১।।
অতি সাম্প্রতিক অসমীয়া কবিতাত নগৰ অভিব্যক্তি
ড° জয়ন্ত ডেকা।। ৪৩।।
কবিতা আৰু প্রতিশ্রুতি
মূল ঃ এড্রিয়ান ৰিচ্ছ
ভাবানুবাদ ঃ দেবিকা দত্ত।। ৫৩।।
এখন কবিতা পুথি আৰু অসমীয়া ভাষাত এজন 'হাইজিন'
ড° সিদ্ধার্থ গোস্বামী।। ৫৭।।

এখন ব্যক্তিগত ৰচনা

কবিতা আৰু মই
নীলিম কুমাৰ।। ৩৮।।


গৱেষণা

অসমীয়া সাহিত্যত লোককথা, লোকসংস্কৃতি আৰু লোকভাষাৰ ব্যৱহাৰ
ড° ৰঞ্জনা ভট্টাচার্য্য।। ৪৮।।

সম্পাদক ▶ মিহিৰ দেউৰী
সহযোগী সম্পাদক ▶ গীতালি বৰা
সহকাৰী সম্পাদক ▶ অর্চনা শইকীয়া

প্রকাশক ▶ প্রমোদ কলিতা,
সচিব, অসম প্রকাশন পৰিষদ গুৱাহাটী-৭৮১০২১
বেটুপাতৰ শিল্পকর্ম ▶ পার্থপ্রতিম দাস
মুদ্রণ ▶ অৰোৰা ফাইন আর্টছ, বামুণীমৈদাম, গুৱাহাটী-২১
মূল্য ▶ ৬০.০০ টকা মাত্র

Publisher :
Pramod Kalita,
Secretary, Publication Board Assam,
Bamunimaidam, Guwahati-21



অতি সাম্প্রতিক অসমীয়া কবিতাত নগৰ অভিব্যক্তি

ড° জয়ন্ত ডেকা

অসমীয়া কবিতাৰ সুদীর্ঘ ইতিহাসত অতি সাম্প্রতিক কবিতা বুলি কওঁতে যোৱাটো শতিকাৰ শেষৰটো দশকত কাব্য-চর্চা আৰম্ভ কৰা কবিসকলৰ কবিতা ধৰি লোৱা হৈছে। অতি সাম্প্রতিক কবিসকলৰ কবিতাই নব্বৈৰ দশকৰ পাছৰ অসমীয়া সাহিত্যক নতুনত্ব প্রদান কৰে। অতি সাম্প্রতিক কবিতাৰ ব্যাপ্তিৰ ভিতৰচ'ৰালৈ যোৱাৰ আগতে আমি বৌদ্ধিক সামাজিক প্রেক্ষাপটলৈ চকু দিব লাগিব। অসমৰ সামাজিক, ৰাজনৈতিক বাতাৱৰণৰ অস্থিৰতাই আগুৰি ৰাখিছিল বিংশ শতিকাৰ শেষৰটো দশক। ছয়বছৰজোৰা অসম আন্দোলনৰ পৰিণাম আৰু সশস্ত্র সংগ্রামৰ বিচ্ছিন্নতাবাদী শক্তিবোৰৰ কার্যকলাপে অসমৰ সামাজিক জীৱন জটিল কৰি তোলে। একেদৰে সশস্ত্র সংগ্রাম দমনৰ অচিলা লৈ ৰাষ্ট্রৰ সামৰিক বাহিনীৰ নির্যাতন, ভ্রাতৃঘাতী সংঘর্ষবোৰে অসমীয়া মানুহৰ জীৱনৰ গতি-প্রকৃতিত প্রভাৱ বিস্তাৰ কৰে। অশান্তজর্জৰ অসমৰ সামগ্রিক পৰিৱেশৰ মাজেদি কাব্য-চর্চাত আত্মনিয়োজিত হোৱা কবিসকলৰ সচেতনতাত সোমাই পৰে জটিল সন্ধিক্ষণত সৃষ্ট নতুন আর্থ-সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতিৰ প্রসংগ।

অতি সাম্প্রতিক অসমীয়া কবিতাৰ প্রতিনিধিত্বসূচক কবিসকলৰ সৃষ্টিৰ মাজেৰে আধুনিকতাবাদী বৈশিষ্ট্য ৰক্ষিত হোৱাৰ লগতে শিল্প নির্মাণৰ পৰীক্ষা-নিৰীক্ষাও পটুৰৈৰ চকুত পৰে। বিজ্ঞান প্রযুক্তিবিদ্যাৰ উত্তৰণৰ দিশবোৰ, গোলকীয় অর্থনীতিৰ সামাজিক প্রভাৱ, ৰাজনৈতিক ভাবাদর্শৰ সংঘাত আৰু ইতিহাসধর্মী চিন্তা-চেতনাৰ কাব্যিক ৰূপায়ণ ঘটিছে অতি সাম্প্রতিক কবিতাত। আধুনিকতাৰ স'তে উত্তৰ

নগৰায়ন প্রক্রিয়াৰ বাবে সমাজৰ সংস্কৃতিগত উপাদানবোৰৰ মাজত আধ্যাত্মিকতাহীনতাৰ সৃষ্টি হয়। নগৰীয় আচৰণবোৰে ব্যক্তিসত্তাৰ স্বাতন্ত্র্যসূচক অনুভূতিবোৰক নিষ্প্রভ কৰি তোলে। ঔদ্যোগীকৰণৰ ফলত গঢ় লৈ উঠা নগৰবোৰে সমাজৰ মৌলিক স্বৰূপকে সলনি কৰিছিল। ...

ISSN 2349-5324

গৱীয়সী

চতুস্ত্রিংশ বছৰ ● প্ৰথম সংখ্যা ● নৱেম্বৰ, ২০২৫

অনুবাদ সাহিত্য



অসমীয়া ভাষাৰ ধ্ৰুপদী মৰ্যাদা

নাৰীৰ উত্তৰণত ডিজিটেল মাধ্যম

শ্ৰদ্ধাৰ্ঘ্য ঃ আনিছ উজ্ জামান

সম্পাদকীয় ঃ আমাৰ ভাষা বটবৃক্ষ ☐ ৪
পাঠকৰ মতামত ।। অণুগল্প ☐ ৬

অনুবাদ সাহিত্য
অনুবাদ আৰু অনুবাদকৰ অনুভৱ ঃ
বিবেকানন্দ চৌধুৰী ☐ ৭-৮
উত্তৰ-ঔপনিৰেশিক অনুবাদ অনুশীলন ঃ
ড° গোৰিন্দ প্ৰসাদ ভূঞা ☐ ৯-১১
'জীৱনৰ বাটত' উপন্যাসৰ ইংৰাজী অনুবাদ ঃ
ড° জুৰি দত্ত ।। অনু দত্ত ☐ ১২-১৬
অনুবাদৰ সাঁকো ঃ অসমীয়া আৰু জনগোষ্ঠীয় ভাষা ঃ
দেৱৰাজ মিলি ☐ ১৭-২১
অসমীয়া ভাষাত সংস্কৃত সাহিত্যৰ অনুবাদ ঃ
অনিৰ্বাণ পৰাশৰ ☐ ২২-২৫

কবিতা
প্ৰেম গগৈ, বন্তি বৰপূজাৰী, কৃতাঞ্জলি কোঁৱৰ,
বিক্ৰমাদিত্য বৰুৱা, বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই,
মিণ্টু সাগৰ দাস, জুনমণি দাস, শুৰলা দাস,
ড° ধ্ৰুৱজ্যোতি দাস, মাহজেবিন আৰা, বৰ্ণালী দত্ত,
মীৰা দত্ত, নীলাভ সৌৰভ, দ্বিজেন কুমাৰ দাস,
উপেন ডেকা, ৰ'দালি বৰুৱা, উৎপল বৰকটকী ☐ ২৬-২৯
অনুবাদ কবিতা
মূল ঃ পোলিছ কবি উইছলাৱা ছিম্বোৰ্স্কা
অনুবাদ (ইংৰাজী) ক্লেয়াৰ কেভেনাজ্
অনুবাদ ঃ ড° লক্ষ্য শৰ্মা
মূল ঃ (ইংৰাজী) ঃ খ্ৰীষ্টিনা ৰ'ছেটি
ভাবানুবাদ ঃ প্লাৱন জ্যোতি নাথ ☐ ৩০

বিশেষ নিবন্ধ
অসমীয়া ভাষাৰ ধ্ৰুপদী মৰ্যাদাৰ যাত্ৰাপথ ঃ
অশোক শৰ্মা ☐ ৩১-৩৩

ঐতিহ্যৰ ৰূপৰেখা
অসমৰ মৃৎ শিল্পৰ ঐতিহ্য ঃ কিশোৰ দাস কোঁৱৰ ☐ ৩৪-৩৫

নিবন্ধ
চুটিগল্পত ভাষাৰ ৰাজনীতি আৰু বহুস্বৰতা ঃ
ড° জয়ন্ত ডেকা ☐ ৩৬-৩৮
নাৰীৰ উত্তৰণত ডিজিটেল মাধ্যম ঃ
ড° কৰবী দত্ত ।। ড° অসীমা গায়ন ☐ ৩৯-৪১
শাৰদীয় মাধুৰ্য ঃ অনিতা দেৱী ☐ ৪২-৪৩
বকলাৰ পুথি আৰু ঐতিহ্য ঃ ঋত্বিক জ্যোতি বৰা ☐ ৪৪-৪৭
ব্ৰেইল পদ্ধতি ঃ এক অৱলোকন ঃ অদিতি বৰুৱা ☐ ৪৮-৪৯

বিবিধা ঃ ডীপফেক ঃ ৰূপম জ্যোতি বৰা ।।
বিপণী আৰু কিতাপ ঃ দীক্ষিতা কলিতা ।। একবচন ☐ ৫০

গৰীয়সী

চতুস্ত্ৰিংশ বছৰ ☐ প্ৰথম সংখ্যা ☐ নৱেম্বৰ, ২০২৬

গল্প
দুবৰি ঃ বৰ্ণালী ভৰালী ☐ ৫১-৫৪
বেথা ঃ ৰাতুল চন্দ্ৰ ভট্টাচাৰ্য্য ☐ ৫৫-৫৭
শূন্যতে ওলমি আছে সকলো ঃ ড° ময়ূৰী শইকীয়া ☐ ৫৮-৬১
স্মৃতি-গান্ধাৰ ঃ জিন্তু গীতাৰ্থ ☐ ৬২-৬৭
সূত্ৰধাৰ ঃ দীপামণি শইকীয়া ☐ ৬৮-৭০
অনুবাদ গল্প
নকল অলংকাৰ ঃ মূল ঃ গ্যী দু মপাছাঁ
অনুবাদ ঃ ড° ৰমেশ চন্দ্ৰ গোস্বামী ☐ ৭১-৭৪



বিজ্ঞান-জগত
অপৰাধী চিনাক্তকৰণত পতংগ ঃ
ড° ৰুদ্ৰ নাৰায়ণ বৰকাকতি ☐ ৭৫-৭৬

জীৱন-বীক্ষা ঃ মোৰ সৈতে মই ঃ
কুল শইকীয়া ☐ ৭৭-৭৯
শ্ৰদ্ধাৰ্ঘ্য ঃ আনিছ উজ্ জামান ঃ
কুদ্ৰৎ উল্লাহ ☐ ৮০

গ্ৰন্থ-সমালোচনা
নৈখন ক'লৈ গৈছে তুমিও নেজানা
মইও নেজানো ঃ
ড° মঞ্জু দেৱী পেগু ☐ ৮১-৮২

শিল্প-কলা
পাৰ্চিয়ান শিল্পকলা ঃ ঋত্বিক পৰাশৰ ☐ ৮৩

নাটক
পৰিৱেশীয় চিন্তাৰ নাট ঃ ইক'থিয়েটাৰ ঃ বিশাল দাস ☐ ৮৪-৮৭

বিদেশী সাহিত্য
ন'বেল বিজয়ী এন কাৰছনৰ সাহিত্য ঃ হেমাংগ গোস্বামী ☐ ৮৮-৮৯

ধাৰাৱাহিক উপন্যাস ঃ
ৰূপৰ ধোঁৱা খোৱা
সোণৰ ধোঁৱা খোৱা ঃ নন্দিতা দেৱী ☐ ৯০-৯২
মেৰুম ঃ ৰাজীৱ বৰুৱা ☐ ৯৩-৯৫

বিষয় ঃ গ্ৰন্থ ঃ সমীন্দ্ৰ ডেকা ☐ ৯৬

প্ৰচ্ছদ-পৰিকল্পনা আৰু অলংকৰণ ঃ প্ৰদীপ নাথ
(প্ৰচ্ছদত ব্যৱহৃত 'ইমেজ' ইণ্টাৰনেটৰ পৰা সংগৃহীত)

সম্পাদক ঃ ড° কুলধৰ শইকীয়া

সাহিত্য-প্ৰকাশ
ট্ৰিবিউন ভৱন, গুৱাহাটী - ৭৮১ ০০৩
ফোন ঃ ০৩৬১-২৬৬০১০২,
২৬৬১৩৫৯-৬০
মূল্য ঃ ৪০.০০ টকা

GARIYOSHI
A Monthly Assamese Magazine

VOL. XXXIV, Issue No. 1
NOVEMBER, 2026, Pages 96
Sahitya-Prakash,
Tribune Buildings, Guwahati-781 003
Phone : 0361-2660102, 2661359-60
E-mail : gariyoshi.assam@gmail.com
Price : Rs. 40.00

সাহিত্য-প্ৰকাশৰ হৈ অসীম কুমাৰ ডেকাৰ দ্বাৰা প্ৰকাশিত আৰু ট্ৰিবিউন প্ৰেছ, গুৱাহাটী-৩ ত মুদ্ৰিত

চুটিগল্পত ভাষাৰ ৰাজনীতি আৰু বহুস্বৰতা

ড° জয়ন্ত ডেকা

কছ সাহিত্য তাত্ত্বিক মিখাইল বাখতিনে (১৮৯৫-১৯৭৫)-এ সাহিত্য পাঠৰ ব্যাখ্যা আগবঢ়াই কেইবাটাও তাৎপর্যপূর্ণ কথা কৈছিল। চুটিগল্পৰ পাঠভিত্তিক ব্যাখ্যাত তেওঁ আধিপত্যবাদী 'কণ্ঠ' (Monologic Voice)ৰ বিৰোধিতা কৰি বিভিন্ন সামাজিক শ্ৰেণী, পেছা, লিংগগত ধাৰণাৰ এক সামূহিক কণ্ঠস্বৰ আৰু উপভাষাৰ মর্যাদা ৰক্ষা কৰি প্ৰয়োগত গুৰুত্ব দিছিল। একেদৰে বাখতিনে ভাষাৰ আভ্যন্তৰীণ ৰাজনীতি আৰু বহুস্বৰতা সম্পর্কত দীঘলীয়া আলোচনা আগবঢ়াইছিল। বিংশ শতাব্দীৰ ত্ৰিশৰ দশকত বহুচর্চিত কেইবাটাও প্ৰবন্ধত ভাষাৰ বহু তৰপীয়া ৰাজনীতিৰ তাত্ত্বিক ৰূপ পটুৱৈৰ আগত দাঙি ধৰে। সমালোচক তাত্ত্বিকগৰাকীয়ে প্ৰতিষ্ঠানিক (শাসকীয় শ্ৰেণী) একক আধিপত্যবাদী ভাষাক কেৱল বহুস্বৰ বিশিষ্ট উপভাষাই প্ৰত্যাহ্বান জনাব পাৰে বুলি সজোৰে উল্লেখ কৰিছিল। মিখাইল বাখতিনৰ এই আলোচনাবোৰৰ সময়তেই চর্চিত আন এগৰাকী প্ৰখ্যাত ব্যক্তি আছিল এণ্টনিও গ্ৰামচী। ইটালীৰ প্ৰভাৱশালী দার্শনিক এণ্টনিও গ্ৰামচী (১৮৯১-১৯৩৭)-এ 'প্ৰিজন নোটবুকছ্' (১৯৪৭) শীর্ষক গ্ৰন্থত সাহিত্যত ভাষাৰ ৰাজনৈতিক ভূমিকাৰ বিস্তৃত ব্যাখ্যা আগবঢ়ায়।

এই আলোচনাৰ আঁত ধৰি ক'ব পাৰি নির্দিষ্ট এটা ভাষাক 'মান্য ভাষা' সজাই বাকী আঞ্চলিক উপভাষাবোৰক সাহিত্যৰ পৰা আঁতৰাই ৰখাটো এক গভীৰ ৰাজনৈতিক প্ৰক্ৰিয়া।

এই দুগৰাকী তাত্ত্বিক-সমালোচকৰ পৰৱর্তী ফ্ৰেঞ্চ ফেনন (১৯২৫-১৯৬১)-এ উত্তৰ ঔপনিৱেশিক সাহিত্য সমালোচনাৰ ধাৰাত ভাষাৰ ৰাজনীতি বিষয়ত প্ৰথম আলোচনা আগবঢ়ায়। ফেননে তেওঁৰ 'ব্লেক স্কিন, হোৱাইট মাস্ক' (১৯৫২) গ্ৰন্থখনত কৃষ্ণাংগ মানুহ আৰু তেওঁলোকৰ ভাষাৰ আলোচনাত একধৰণৰ আধিপত্যবাদৰ প্ৰসংগ উত্থাপন কৰে। একেদৰে বিংশ শতাব্দীৰ শেষৰ সময়ছোৱাত আফ্ৰিকান আধুনিকতাবাদী লেখক এনগুগি ওৱা থিওংঅ' (১৯৩৮-২০২৫)য়ে তেওঁৰ 'ডিকলোনাইজিং দ্য মাইণ্ড ঃ দ্য পলিটিকছ্ অব্ ল্যাংগুৱেজ ইন আফ্ৰিকান লিটাৰেচাৰ' (১৯৮১) শীর্ষক গ্ৰন্থত সাহিত্যত ভাষাৰ ৰাজনীতি প্ৰখৰ ৰূপত বিশ্লেষণ কৰে। তেওঁ তাৎপর্যপূর্ণভাৱে উল্লেখ কৰিছিল যে কোনো শক্তিয়ে মানুহৰ ভেটি দখল কৰাৰ আগতেই আধিপত্যবাদী প্ৰৱণতাৰে ভাষাৰ মাজেদি মনস্তত্ত্বত প্ৰ কৰিবলৈ বিচাৰে। এই আলোচনাৰ প্ৰসংগত আমাৰ মন আহে ফৰাচী গাঁঠনবাদ আৰু উত্তৰ গাঁঠনবাদত উচ্চাৰিত ডি আৰু ক্ষমতাৰ সংজ্ঞা সম্পর্কীয় আন্তঃধাৰণা। সমালোচক তাত্ত্বি ৰোলা বার্ত (১৯১৫-১৯৮০), মিশ্চেল ফুকো (১৯২ ১৯৮৪) আৰু জ্যাক দেৰিদা (১৯৬০-২০০৪)-ই ডিস্কর্ছ আ ক্ষমতাৰ সংজ্ঞাৰ মাজত সাহিত্য পাঠৰ সম্পর্ক বিশ্লেষণ কৰিছে তেওঁলোকৰ তাত্ত্বিক বিশ্লেষণত ওলাই পৰিছে সাহিত্য পাঠ ভিতৰত থকা ভাষাৰ ক্ষমতা আৰু ৰাজনীতি।

একবিংশ শতিকাৰ অসমীয়া চুটিগল্প সমাজ বাস্তৱতা কেতবোৰ দিশৰ পৰা অতি গুৰুত্বপূর্ণ। পুঁজিবাদী অর্থনীতি দ্ৰুত আগ্ৰাসন, প্ৰব্ৰজন, শ্ৰেণী বিভাজনৰ সংঘাত, গ্ৰাম অর্থনীতিৰ পতন, লিংগগত ধাৰণা আৰু আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ প্ৰশ্ন আদিৰে ভৰা জটিল সময়ছোৱাত গল্পকাৰসকলে মনোজগতৰ ভিন্ন সংবেদনাৰে পাঠ (Text) সৃষ্টি কৰিছে। এই সময়ছোৱাৰ গল্পকাৰসকলে ভাষাক এক কাহিনী কথনৰ মাধ্যম কৰি লোৱা নাই; ভাষাক জটিল সন্ধিক্ষণত সমাজ বাস্তৱতা আৰু ৰাজনৈতিক চেতনা বহিৰ্প্ৰকাশৰ আধাৰ হিচাপে প্ৰয়োগ কৰিছে। মিখাইল বাখতিন কথিত পলিফ'নিক নেৰেটিফৰ মাজেদি একবিংশ শতাব্দীৰ অসমীয়া চুটিগল্পক পাঠ অধ্যয়ন কৰিলে বহুকেইটা বিশিষ্টতা চকুত পৰে। একবিংশ শতাব্দীৰ গল্পকাৰসকলে পাঠ নির্মাণৰ অভিনৱত্বৰে দেখুৱাইছে শ্ৰেণী সংঘাত আৰু চেতনাৰ মর্মবেদনা। ফুক'ৰ ভাষাৰ ক্ষমতা আৰু সজ্জাত উচ্চাৰিত অৱদমনৰ প্ৰসংগ গল্পকাৰসকলে কাহিনী কথনত মূর্ত কৰি তুলিছে। একধৰণৰ শাসকীয় উচ্চবর্গীয় শ্ৰেণীয়ে কিদৰে ভাষাৰ মাজেদি ভুৱা চেতনা নির্মাণ কৰি নিম্নবর্গক বাক্‌হীন কৰি ৰাখিব খোজে তাৰ গভীৰ সংবেদনা গল্পসমূহত উদ্ভাসিত হৈছে। একেদৰে লিংগ ৰাজনীতি, প্ৰান্তীয় চৰিত্ৰসমূহৰ অধিকাৰ, উত্তৰ-ঔপনিৱেশিক সংকট আৰু সংকৰত্ব, ঐতিহাসিক নৈর্ব্যক্তিকতা, ৰাজনৈতিক সংঘাত আৰু অস্তিত্ব ৰক্ষাৰ কেতবোৰ বিষয় গল্পকাৰসকলৰ কলাত্মক সৃষ্টিত ব্যঞ্জিত হৈছে।

একবিংশ শতিকাৰ অসমীয়া গল্প সাহিত্য সমৃদ্ধ কৰা এগৰাকী গুৰুত্বপূর্ণ গল্পকাৰ প্ৰশান্ত কুমাৰ দাস। 'প্ৰান্তিক'

ISSN 2279-0683

প্রকাশ

মে', ২০২৩




প্রকাশ

তৃতীয় পর্ব ।।
১৩২সংখ্যক প্রকাশন ।।
ব'হাগ-জেঠ ১৯৪৫ শক।।
মে', ২০২৩


পঞ্জীয়ন নং ঃ ২৯৯৮২/৭৫
ISSN 2279-0683

বিষয় সূচী

সম্পাদকীয়।।৩ ।।







প্রবন্ধ

কবিতাত সৌৰভ কুমাৰ চলিহা
অৰিন্দম বৰকটকী।।৪।।

ৱাল্ট হুইটমেন আৰু আমেৰিকান চেতনা
ড° বিৰিঞ্চি কুমাৰ দাস।।৮।।

পার্পলৰঙী জবাফুল, হালধীয়া সূর্য, বর্ণবৈষম্যৰ আমেৰিকা আৰু কিছু অব্যক্তিগত
ড° ৰত্নোত্তমা দাস বিক্রম।। ১১।।

উত্তৰ আধুনিকতাবাদৰ আলোকত বেজবৰুৱাৰ 'পাতমুগী'
ড° জুৰি দত্ত।। ১৮।।

ভবেন বৰুৱাৰ সোণালী জাহাজ আৰু অন্যান্য
ড° জয়ন্ত ডেকা।। ২১।।

ইউৰোপৰ প্রাচীনতম অসমীয়া ৰাধিকাৰাম ঢেকিয়াল ফুকন
ড° গোৰিন্দ প্রসাদ শর্মা।। ৪৩।।

কুশল দত্তৰ কবিতাৰ অন্তর্জগত ঃ মানুহ, নিসর্গ আৰু বাসনাৰ অন্তর্দর্শন
ড° কমল শইকীয়া।। ৬১।।

অপূর্ব কুমাৰ শইকীয়াৰ গল্প সংকলন *চ'তৰ উৰহী*
ড° পৰী হিলৈদাৰী।। ৬৯।।

কমলা দাসৰ কবিতা
নিভা ৰাণী ৰায়।। ৭৪।।

সম্পাদক ▶ মিহিৰ দেউৰী
সহযোগী সম্পাদক ▶ গীতালি বৰা
সহকাৰী সম্পাদক ▶ অর্চনা শইকীয়া

প্রকাশক ▶ প্রমোদ কলিতা,
সচিব, অসম প্রকাশন পৰিষদ গুৱাহাটী-৭৮১০২১
মুদ্রণ ▶ অৰোৰা ফাইন আর্টছ, বামুণীমৈদাম, গুৱাহাটী-২১
মূল্য ▶ ৬০.০০ টকা মাত্র

Publisher :
Pramod Kalita,
Secretary, Publication Board Assam,
Bamunimaidam, Guwahati-21



গল্প

নক্তে গাঁৱৰ চিনেমা
পংকজ কুমাৰ দত্ত।। ২৫।।

জনী, স্পীক
অভিজিৎ বৰা।। ৩০।।

অনুবাদ গল্প

এষ্টিৰিয়নৰ গৃহ
নয়নজ্যোতি শর্মা।। ৩৫।।



হয়তো কালৰ দাঁতে দাঁতে আপেলৰ বিজয়ী চমক;
ভঙা কাঁচ ভৰা শূন্যতাৰ উজ্বলতা; আন্ধাৰে আন্ধাৰে,
মৃত্যুৰে মৃত্যুৰে, বৰফে বৰফে-উজাগৰ বতাহৰ গতি।
ঘাঁহে ঘাঁহে, দগ্ধ প্রান্তৰত, ফুলে ফুলে, চিতায় চিতায়
বাসনাৰ শূন্যতাৰ যুগল-পটল ভৰা অর্থৰেখা—
নির্জন, জনতাময়, স্বেদৰক্তভৰা- ঊর্মিল, ধূসৰ ....

ভবেন বৰুৱাৰ সোণালী জাহাজ আৰু অন্যান্য

ড° জয়ন্ত ডেকা

কবি আৰু সমালোচক ৰূপে পৰিচিত ভবেন বৰুৱা (জ. ১৯৩৯) ৰ কবিতা সংকলন *সোণালী জাহাজ* প্রথম প্রকাশ হয় ১৯৭৭ চনত। অষ্টম শ্রেণীত পঢ়ি থাকোঁতে *নতুন পৃথিৱী* (১৯৫৩) শীর্ষক কবিতা পুথি এখনৰে কাব্য জীৱনৰ পাতনি মেলা ভবেন বৰুৱাৰ অসমীয়া কবিতাৰ সমালোচনাত্মক গ্রন্থ *অসমীয়া কবিতা ৰূপান্তৰৰ পর্ব* (২০০২) সমালোচনা সাহিত্যলৈ এক উল্লেখনীয় বৰঙনি। কবিতাৰ পৰা আৰম্ভ কৰি সংস্কৃতি, দর্শন, ইতিহাসৰ প্রতিটো দিশতে তেওঁৰ বৌদ্ধিক ব্যক্তিসত্তাৰ আভাস পটুৱৈয়ে লাভ কৰিছে। তেওঁৰ সকলো কবিতা একত্রিতকৰণেৰে *ভবেন বৰুৱাৰ কবিতা সমগ্র* (২০১৮) শীর্ষক সংকলন এটিও প্রকাশ হৈছে। ভবেন বৰুৱাৰ কাব্যাদর্শৰ ঘ্রাণ বিচাৰি যাওঁতে পোনছাটেই চকুত পৰে 'অমিত বাক্' আলোচনাটিলৈ। তেওঁ নিজেই কৈছে ঃ 'জীৱন আৰু জগতৰ বিশাল বিস্ময়কৰ জটিল বহুধা বৈচিত্র্যপূর্ণ কোমল কঠোৰ, মৃদুল-গম্ভীৰ-ৰমনীয়-ভয়ংকৰ ৰূপটোক জীৱনৰ জীৱিকাগত নাইবা যিকোনো ব্যৱহাৰিক বা সাম্প্রতিক প্রয়োজনৰ অনুকূলে একোটা বিশেষ আংশিক গণ্ডীবদ্ধ ৰূপৰ মাজত আবদ্ধ কৰি সৰলীকৃত সংজ্ঞায়িত কৰা আৰু জীৱনৰ একাধিক আয়তনৰ প্রতি বিমুখ ৰুদ্ধশ্বাস আদর্শবোৰৰ লগত মই বহুত দিনৰ পৰাই এটা মানসিক বিৰোধ অনুভৱ কৰি আহিছোঁ। বৈচিত্র্য আৰু সমগ্রতাবোধৰ আদর্শটোৱেই মোৰ মনক কেন্দ্রীয়ভাৱে আকর্ষণ কৰিছে (২১০)।' সমাহিত চেতনাৰ বোধনৰে আধুনিক কাব্যাদর্শত ভবেন বৰুৱাই চিত্রধর্মিতা আৰু সংগীতধর্মিতাক সংযুক্ত কৰে। আধুনিক জগতৰ আন্ধাৰৰ বেদনাৰে জীৱনৰ বিতৃষ্ণা কবিতাৰ জটিল গাঁথনিত সোমাই পৰিছে। *সোণালী জাহাজৰ* কবিতাবোৰৰ ৰচনাৰ সময় ১৯৬৩ৰ পৰা ১৯৭৫লৈ। এই বাৰটা বছৰৰ কাব্যচর্চাত কবিৰ সচেতনতাৰে প্রৱাহিত হোৱা আধুনিক নগৰ জীৱনৰ অসহায়তাৰ ৰূপবোৰ জাগতিক সৃষ্টি সংক্রান্ত বিস্ময়েৰে উদ্ভাসি উঠিছে। আধুনিকতাৰ অন্তর্দৃষ্টিৰে কবিয়ে বহন কৰিছে আধুনিক সভ্যতা আৰু ইতিহাসৰ জটিল প্রশ্নবোৰ। মানৱিক চেতনা স্খলনত জীৱনৰ মূল্য আৰু অর্থ সম্পর্কীয় প্রশ্নবোৰে আধুনিক জীৱনৰ ব্যর্থতা প্রকাশ কৰিছে। স্তৰ অনুযায়ী ভবেন বৰুৱাৰ কবিতাবোৰে কথাছবি এখনৰ দৰে আধুনিক জীৱনৰ ধুমুহাভৰা সংঘাতৰ প্রকাশত বর্ণ সংগতিৰ পৰিচয় দিছে। দীঘলীয়া কাহিনী এটা বর্ণনা ক্রমেৰে চলচ্চিত্রত নিক্ষিপ্ত কৰাৰ ধৰণক বিভিন্ন ৰূপকেৰে কবিতাত প্রয়োগ কৰিছে। এনেকুৱা প্রয়োগশৈলীৰ বাবে শিল্পত সজীৱ হৈ উঠিছে মানৱীয় বোধ আৰু জীৱনৰ অস্তিত্বৰ জটিলতা।

এটি শিল্পৰ সৃষ্টিয়ে তাৰ অন্তৰালৰ প্রকৃত বাস্তৱতাৰ উন্মোচন ঘটায়। শিল্পৰ বর্ণমালাত নিহিত হৈ থাকে বর্তমানৰ পৰম সত্য। শিল্প প্রকাশৰ উৎসাহী মনটোত ক্রমাগতভাৱে ধৰা দিয়ে দুখন সমতলীয় চিত্রই। ইতিহাস